# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 13-06-2026
**Time :** 1845 HRS

## *Assamese Evening Bulletin*
## HEADLINES
০০০০০

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অসমৰ প্ৰতি থকা অপৰিসীম আগ্ৰহ আৰু সদিচ্ছাৰ বাবেই ৰাজ্যৰ অভূতপূৰ্ব উন্নয়ন হোৱা বুলি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ প্ৰকাশ।

২। পথ যোগাযোগ ব্যৱস্থাৰ উন্নয়নৰ অৰ্থে কেন্দ্ৰৰ সহযোগত ৰাজ্য চৰকাৰৰ কেইবাটাও প্ৰকল্প ঘোষণা।

৩। অহা ১ জুলাইৰ পৰা ৰাজ্যত বিকশিত ভাৰত জি ৰাম জি আঁচনি ৰূপায়ণৰ বাবে অসম মন্ত্ৰীসভাৰ বৈঠকত সিদ্ধান্ত।

৪। যোৰহাটৰ ৰৰৈয়াৰ বায়ুসেনা ঘাটিত আজি পুৱা বায়ুসেনাৰ AN-32 শ্ৰেণীৰ এখন বিমান দুৰ্ঘটনাগ্ৰস্ত। ৫ জন জোৱান নিহত।

*আৰু*

৫। বিশ্বকাপ ফুটবল প্ৰতিযোগিতাত আজি হ'বলগীয়া গ্ৰুপ বিৰ এখন খেলত কাটাৰ ছুইজাৰলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰতি থকা অপৰিসীম আগ্ৰহৰ বাবে অঞ্চলটোৰ অভূতপূৰ্ব উন্নয়ন হোৱা বুলি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। কিছুসময় পূৰ্বে গুৱাহাটীৰ বাজপেয়ী ভৱনত আয়োজিত এখন সংবাদমেলত মুখ্যমন্ত্ৰীয়ে কয়, যে প্ৰধানমন্ত্ৰীয়ে অসমক সদায় অগ্ৰাধিকাৰ দি আহিছে। তেওঁ কয়, যে বিগত ১২ বছৰত প্ৰধানমন্ত্ৰী মোদী ৩৬ বাৰ অসমলৈ আহিছে। পূৰ্বে কোনো প্ৰধানমন্ত্ৰী ইমানবাৰ অসমলৈ অহা নাছিল। শ্ৰী মোদীয়ে অসমৰ গামোচা বিশ্ববাসীক চিনাকি কৰি দিয়া বুলি তেওঁ মন্তব্য কৰে।

*(বাইট ঃ ডঃ শৰ্মা)*

মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে বিজেপি চৰকাৰৰ সময়ছোৱাত অসমৰ আৰ্থ সামাজিক, সাংস্কৃতিক, ৰাজনৈতিক আদি সকলো ক্ষেত্ৰত অভাৱনীয় পৰিৱৰ্তন হৈছে বুলি উল্লেখ কৰে। অসমক দেশৰ প্ৰথম ৫ খন ৰাজ্যৰ ভিতৰত অন্তৰ্ভুক্ত কৰাৰ বাবে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপৰ বিষয়েও উল্লেখ কৰে। তেওঁ ৰাজ্যত ৰূপায়ণ হ'বলগীয়া উন্নয়নমূলক প্ৰকল্প আৰু পথ যোগাযোগৰ উন্নয়নৰ বাবে গ্ৰহণ কৰিবলগীয়া বিভিন্ন পৰিকল্পনাৰ কথাও সংবাদমেলত সদৰী কৰে। তেওঁ গুৱাহাটী-তিনিচুকীয়াৰ মাজত এক্সপ্ৰেছ ক'ৰিড'ৰ নিৰ্মাণ কৰা হ'ব বুলি প্ৰকাশ কৰে। শিলিগুড়ি শিলচৰ সংযোগী পথ নিৰ্মাণৰ কাম চলি আছে বুলি ডঃ শৰ্মাই জানিবলৈ দিয়ে। তেওঁ কয়, যে বাইহাটা চাৰিআলিৰ পৰা মিছন চাৰিআলিলৈ শীঘ্ৰে চাৰিটা লেনযুক্ত পথ নিৰ্মাণ কৰা হ'ব।

ডঃ শৰ্মাই লগতে ৰাজ্যত দৰিদ্ৰ সীমাৰেখাৰ হাৰ পূৰ্বৰ তুলনাত ভালেখিনি হ্ৰাস পাইছে বুলিও কয়। তদুপৰি ২০০৬ চনৰ তুলনাত প্ৰসূতিৰ মৃত্যুৰ হাৰো প্ৰতি লাখত পূৰ্বৰ ৪৮০ৰ পৰা বৰ্তমান ৮৪লৈ হ্ৰাস পাইছে বুলি মুখ্যমন্ত্ৰী ডঃ শৰ্মাই উল্লেখ কৰে। বাংলাদেশৰ সীমান্ত সম্পূৰ্ণৰূপে বন্ধ কৰা সন্দৰ্ভত সাংবাদিকৰ এটা প্ৰশ্নৰ উত্তৰত মুখ্যমন্ত্ৰী

ড° শৰ্মাই কেৱল অসমৰেই নহয় বাংলাদেশৰে সংযুক্ত দেশৰ আন ৰাজ্যৰো সীমান্ত সম্পূৰ্ণৰূপে ছীল কৰিলেহে অবৈধ প্ৰব্ৰজনৰ সমস্যাটো সমাধান হ'ব বুলি কয়।

০০০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত আজি লোকসেৱা ভৱনত ৰাজ্যিক মন্ত্ৰীসভাৰ এখন বৈঠক অনুষ্ঠিত হয়। বৈঠকৰ অন্তত এখন সংবাদমেলত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয়, যে অহা এক জুলাইৰ পৰা বিকশিত ভাৰত জিৰামজি আঁচনি ৰূপায়ণ কৰা হ'ব। এই আঁচনিৰ জৰিয়তে গ্ৰাম্য নিয়োগ নিশ্চিত কৰাৰ লগতে সম্পদ সৃষ্টিত গুৰুত্ব আৰোপ কৰা হ'ব আৰু আঁচনিখন ৰূপায়ণ কৰাৰ বাবে চলিত বৰ্ষত দুহেজাৰ কোটি টকা ব্যয় কৰা হ'ব। মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে এই আঁচনিৰ অধীনত পূৰ্বৰ ৯০ দিনৰ পৰিৱৰ্তে এতিয়া ১২৫ দিনৰ বাবে গাৱৰ জনসাধাৰণৰ বাবে নিশ্চিত নিয়োগৰ সুবিধা প্ৰদান কৰা হ'ব।

*(বাইট ঃ ড° শৰ্মা)*

তেওঁ লগতে কয়, যে এক আগষ্টৰ পৰা অৰুণোদয় আঁচনিৰ হিতাধিকাৰীসকলে নিয়মীয়াকৈ ধন লাভ কৰিব। ড° শৰ্মাই কয়, যে এতিয়াৰে পৰা ৰাজ্যত ১৮ বছৰৰ ওপৰৰ কোনো লোককে  আধাৰ কাৰ্ড দিয়া নহয় বুলি মন্ত্ৰীসভাত সিদ্ধান্ত লোৱা হৈছে। ভৱিষ্যতে ১৮ বছৰ উৰ্ধৰ ব্যক্তিক আধাৰ কাৰ্ড প্ৰদান কৰিবলগীয়া হ'লে জিলা আয়ুক্তই ৰাজ্য চৰকাৰৰ অনুমতি ল'ব লাগিব বুলি তেওঁ প্ৰকাশ কৰে। ড° শৰ্মাই কয়, যে চাহ জনজাতি আৰু অনুসূচীত জাতি-জনজাতি সম্প্ৰদায়ৰ লোকসকলৰ বাবে ছমাহৰ বাবে বিশেষ ৰেহাই দি অহা বছৰৰ ২৭ মাৰ্চ পৰ্যন্ত আধাৰ কাৰ্ড প্ৰদানৰ ব্যৱস্থাটো বাহাল ৰখা হ'ব।

মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে মন্ত্ৰীসভাই লোকপ্ৰিয় গোপানীথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰৰ আশেপাশে ছেটেলাইট চিটি নিৰ্মাণৰ উদ্দেশ্যে গুৱাহাটী ছেটেলাইট চিটি উন্নয়ন প্ৰাধিকৰণ গঠনৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। গুৱাহাটী মহানগৰৰ বৰ্তমানৰ সীমাৰ ভিতৰতে এই প্ৰকল্প আবদ্ধ থাকিব বুলি তেওঁ সাংবাদিকৰ আগত প্ৰকাশ কৰে। ড° শৰ্মাই কয়, যে মন্ত্ৰীসভাই ভাৰতীয় প্ৰশাসনিক সেৱাৰ বিষয়াৰ ডেপুটেচনৰ ক্ষেত্ৰতো কেতবোৰ সিদ্ধান্ত গ্ৰহণ কৰিছে আৰু এই অনুসৰি নিৰ্দিষ্ট সময় সম্পূৰ্ণ হোৱাৰ পূৰ্বে ডেপুটেচনৰ বাবে আবেদন কৰিলে পূৰ্বৰ মুখ্যমন্ত্ৰীৰ একক অনুমোদনৰ সলনি এতিয়াৰে পৰা কেইবাটাও স্বৰ্ত সাপেক্ষে মন্ত্ৰীসভাইহে এই আবেদনসমূহ মঞ্জুৰ কৰিব পাৰিব। তেওঁ লগতে কয়, যে ৬ জুলাইৰ পৰা অসম বিধানসভাৰ বাজেট অধিৱেশন অনুষ্ঠিত কৰাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। ২১ দিনতকৈ অধিক সময়ৰ বাবে চলিবলগীয়া এই অধিৱেশনতে বিত্তমন্ত্ৰী জয়ন্ত মল্লবৰুৱাই ২০২৬-২৭ বিত্তীয় বৰ্ষৰ বাবে পূৰ্ণাংগ বাজেট দাখিল কৰিব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে বাজেট দাখিলৰ দিনটোৰ বিষয়ে বিত্ত বিভাগে সুকীয়াকৈ অৱগত কৰিব। বাজেট অধিৱেশনৰ পাছত আগষ্টৰ পৰা চৰকাৰৰ জনকল্যাণমূলক আঁচনিসমূহো পুনৰ ৰূপায়ণ কৰা হ'ব বুলি তেওঁ জানিবলৈ দিয়ে।

০০০০০০০

যোৰহাটৰ ৰৌৰিয়াৰ বায়ুসেনা ঘাটিত আজি পুৱা বায়ুসেনাৰ AN-32 শ্ৰেণীৰ এখন পৰিবহণ বিমান দুৰ্ঘটনাত পতিত হয়। যোৰহাটস্থিত ৪৩ নম্বৰ স্কোৱাড্ৰনৰ বিমানখনত নিয়মীয়া অনুশীলনৰ সময়ত অৱতৰ কৰিবলৈ লওতে বিস্ফোৰণ ঘটে আৰু বিমানখনত জুই লাগে। দুৰ্ঘটনাটোত বায়ু সেনাবাহিনীৰ পাঁচজন জোৱান স্কোৱাড্ৰন লিডাৰ প্ৰশান্ত সিং, ফ্লাইট লেফটেনেণ্ট শুভম কুমাৰ, ছাৰ্জেণ্ট জিতেন্দ্ৰ শৰ্মা, অগ্নিবীৰবায়ু খেমাৰাম কুমাৰট আৰু অগ্নিবীৰবায়ু ডেনিছ আলমে প্ৰাণ হেৰুৱায়। বায়ুসেনাই প্ৰকাশ কৰা মতে দুৰ্ঘটনাৰ সঠিক কাৰণ নিশ্চিত কৰাৰ বাবে এখন সমিটী গঠন কৰা হৈছে।

কেন্দ্ৰীয় প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই ঘটনাকলৈ গভীৰ শোকপ্ৰকাশ কৰিছে। প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে এটা বাৰ্তা যোগে কৰ্তব্য সম্পাদনৰ সময়ত শ্বহীদ হোৱা জোৱান কেইগৰাকীলৈ

শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰে আৰু শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে। মুখ্যমন্ত্ৰী শৰ্মাই সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত কয় যে দেশে জোৱান পাঁচগৰাকীৰ সৰ্বোচ্চ ত্যাগৰ কথা সদায় মনত ৰাখিব।

০০০০০০০

কেন্দ্ৰীয় বন্দৰ, জাহাজ চলাচল আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি ডিব্ৰুগড়ত প্ৰবুদ্ধ নাগৰিক সন্মিলনত অংশগ্ৰহণ কৰে। সন্মিলনত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে দেশত বিগত ১২ বছৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত হোৱা বিকাশ আৰু উন্নয়নৰ বিষয়ে উল্লেখ কৰে। তেওঁ কয়, যে নৰেন্দ্ৰ মোদীৰ দূৰদৰ্শী নেতৃত্বত যোৱা ১২ বছৰত দেশে উন্নয়ন, আত্মবিশ্বাস, সু-শাসন আৰু জনকল্যাণৰ নতুন অধ্যায়ৰ সূচনা কৰিছে। এই যাত্ৰাই দেশখনক বিশ্ব মঞ্চত শক্তিশালী আৰু আত্মনিৰ্ভৰ ৰাষ্ট্ৰ হিচাপে প্ৰতিষ্ঠা কৰা বুলি তেওঁ মন্তব্য কৰে।

*(বাইট ঃ সৰ্বানন্দ)*

সন্মিলনত কেন্দ্ৰীয় মন্ত্ৰী জুৱেল ওৰাম, বিধায়ক প্ৰশান্ত ফুকন, ডিব্ৰুগড় পৌৰ নিগমৰ মেয়ৰ ডাঃ চৈকত পাত্ৰ আৰু কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ শশীকান্ত শইকীয়াকে ধৰি ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০০০

ৰাজ্যৰ বিভিন্ন অংশত নিচাযুক্ত দ্ৰব্যৰ বিৰুদ্ধে আৰক্ষীৰ অভিযান অব্যাহত আছে। ধুবুৰী আৰক্ষীয়ে যোৱা নিশা ছাগলচৰাৰ এখন গোলামাল দোকানত তালাচী চলাই বুজন পৰিমাণৰ মাদকদ্ৰব্য, এয়াৰ গান, দুটা ম'বাইল আৰু নগদ ধন জব্দ কৰে। আৰক্ষীয়ে এই ঘটনা সংক্ৰান্তত ফাটেজুল হুছেইন আৰু শ্বাহীন খান নামৰ দুজন লোকক গ্ৰেপ্তাৰ কৰিছে। আৰক্ষীয়ে ধৃত লোক দুজনক জেৰা কৰিছে। একেদৰে বজালী আৰক্ষীয়ে যোৱা নিশা গোপন তথ্যৰ ভিত্তিত অভিযান চলাই ডুবি চ'কৰ হুমেশ্বৰ মালাকৰৰ বাসগৃহৰ পৰা চাৰি কিলোগ্ৰাম ৮৬ গ্ৰাম ভাং জব্দ কৰে আৰু লোকজনক গ্ৰেপ্তাৰ কৰে। ভাং সৰবৰাহকাৰীজনক ইতিমধ্যে জে'ল হাজোটলৈ প্ৰেৰণ কৰা হৈছে।

ইপিনে, শিৱসাগৰ আৰক্ষীয়ে আজি এখন চাৰিচকীয়া বাহনৰ পৰা নিষিদ্ধ নিচাযুক্ত দ্ৰব্যসহ তিনিজন যুৱকক গ্ৰেপ্তাৰ কৰে। ধৃত যুৱক তিনিজনক গৌৰীসাগৰৰ হাতীঘূলীৰ দিপলু গগৈ, আমগুৰিঘাটৰ সুমিত বৰ্মন আৰু কোঁৱৰপুৰৰ কাঁড়িগাঁৱৰ মানস জ্যোতি চাংমাই বুলি চিনাক্ত কৰা হৈছে। আৰক্ষীয়ে তেওঁলোকক পৰা ১২ দশমিক ৭-৬ গ্ৰাম মাদক দ্ৰব্য জব্দ কৰে।

০০০০০০০

কেন্দ্ৰীয় চৰকাৰে লেফটেনেণ্ট জেনেৰেল ধীৰাজ সেঠক পৰৱৰ্তী স্থল সেনাধ্যক্ষ হিচাপে নিয়োগ কৰিছে। বৰ্তমান স্থল সেনাবাহিনীৰ উপ-মুৰব্বী হিচাপে কৰ্মৰত লেফটেনেণ্ট জেনেৰেল সেঠে ৩০ জুনত কাৰ্যভাৰ গ্ৰহণ কৰিব তেওঁ বৰ্তমানৰ স্থল সেনাধ্যক্ষ জেনেৰেল উপেন্দ্ৰ দ্বিবেদীৰ স্থলাভিষিক্ত হ'ব।

০০০০০০০

শক্তিপীঠ কামাখ্যা দেৱালয়ত অহা ২২ জুনৰ পৰা অম্বুবাচী মেলা অনুষ্ঠিত হ'ব। দেৱালয় কৰ্তৃপক্ষই প্ৰকাশ কৰা মতে ২২ জুনৰ নিশা ৯ বাজি ৮ মিনিট ৪২ ছেকেণ্ডত অম্বুবাচীৰ প্ৰবৃত্তি হ'ব। প্ৰবৃত্তিৰ লগে লগে কামাখ্যা মন্দিৰ দুৱাৰ ভক্তৰ বাবে বন্ধ কৰি দিয়া হ'ব। ২৩, ২৪ আৰু ২৫ জুনত কামাখ্যা মন্দিৰৰ দুৱাৰ সম্পূৰ্ণভাৱে বন্ধ থাকিব। ২৬ জুনৰ পুৱা অম্বুবাচীৰ নিবৃত্তিৰ পাছত মন্দিৰৰ দুৱাৰ ভক্তৰ বাবে পুনৰ মুকলি কৰি দিয়া হ'ব। প্ৰতিবছৰৰ দৰে এইবাৰো অম্বুবাচী উপলক্ষে নীলাচলত দেশ-বিদেশৰ ভক্তৰ সমাগম হৈছে।

০০০০০০০

অৰুণাচল প্ৰদেশৰ চেপাত যোৱানিশা সংঘটিত এটা পথ দুৰ্ঘটনাত লখিমপুৰৰ নাওবৈচাৰ ৫ জন যুৱকৰ মৃত্যু হয়। যুৱক কেইজনে এখন বলেৰ পিকআপ ভানত অৰুণাচল প্ৰদেশৰ চেপালৈ গৈ থকা অৱস্থাত পথৰ পৰা বাহনখন পাহাৰৰ কেইবা ফুট তলত বাগৰি পৰাত এই শোকাৱহ ঘটনাতো সংঘটিত হয়। দুৰ্ঘটনাত প্ৰাণ হেৰুওৱা যুৱক

কেইজনক লখিমপুৰৰ নাওবৈচাৰ আমাজত আলী, আবুল হুছেইন, বুলবুল আলী, ছাইদুল ইছলাম আৰু নুৰ হুছেইন বুলি চিনাক্ত কৰা হৈছে।

০০০০০০০

আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ দৃষ্টিপাত অনুষ্ঠানত আজি নিশা ৮ বাজি ২ মিনিটত অসমত শান্তি চুক্তিৰ এটা দশক শীৰ্ষক এটি আলোচনা প্ৰচাৰ কৰা হ'ব। অনুষ্ঠানত ভাগ ল'ব অসম আৰক্ষীৰ অতিৰিক্ত সঞ্চালক প্ৰধান হীৰেন চন্দ্ৰ নাথ, গুৱাহাটী বিশ্ববিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ অধ্যাপক ড° জয়ন্ত কৃষ্ণ শৰ্মা, ইউ পি পি এলৰ মুৰব্বী প্ৰমোদ বড়ো, প্ৰাক্তন মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্ম আৰু সাংবাদিক সঞ্জু বৰাই। অনুষ্ঠানটিৰ আঁত ধৰিব অৰুণিমা গোস্বামীয়ে।

০০০০০০০

গুৱাহাটী মহানগৰ আৰক্ষীৰ অপৰাধ শাখাই কংগ্ৰেছ দলৰ জ্যেষ্ঠ নেতা পৱণ খেড়াক অহা ৩ জুলাইত হাজিৰ হ'বলৈ চমন জাৰি কৰিছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ পত্নী ৰিণিকী ভূঞা শৰ্মাই ৰুজু কৰা এটা গোচৰৰ ভিত্তিত অপৰাধ শাখাই কংগ্ৰেছ নেতাজনক পুনৰ সোধাপোচাৰ বাবে হাজিৰ হ'বলৈ চমন জাৰি কৰিছে। উল্লেখযোগ্য যে, কংগ্ৰেছ নেতা খেড়াই মুখ্যমন্ত্ৰীৰ পত্নীৰ ৩ খনকৈ বিদেশী পাছপ'ৰ্ট থকাৰ লগতে বিদেশত সম্পত্তি থকাৰ অভিযোগ উত্থাপন কৰিছিল। কিন্তু এনে অভিযোগত ভিত্তিহীন আখ্যা দি ৰিণিকী ভূঞা শৰ্মাই খেড়াৰ বিৰুদ্ধে অসম আৰক্ষীৰ অপৰাধ শাখাত গোচৰ ৰুজু কৰিছিল।

০০০০০০০

বিশ্বকাপ ফুটবল প্ৰতিযোগিতাত আজি নিশা চাৰে ১২ বজাত হ'বলগীয়া গ্ৰুপ বিৰ এখন খেলত কাটাৰ ছুইজাৰলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। পুৱতিনিশা চাৰে ৩ হ'বলগীয়া গ্ৰুপ চিৰ এখন খেলত ব্ৰাজিল মৰক্কোৰ সন্মুখীন হ'ব। কাইলৈ পুৱা চাৰে ৬ বজাত হ'বলগীয়া গ্ৰুপ চিৰ আন এখন খেলত হাইটি স্কটলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ইপিনে আমেৰিকা যুক্তৰাষ্ট্ৰই আজি পুৱা লজ এঞ্জেলছৰ ছ'ফি ষ্টেডিয়ামত অনুষ্ঠিত গ্ৰুপ-ডিৰ এখন খেলত পেৰাগুৱেক ৪-১ গ'লত পৰাস্ত কৰে। আমেৰিকা যুক্তৰাষ্ট্ৰই খেলৰ আৰম্ভণিতে পেৰাগুৱেৰ ডামিয়ন বোবাডিলাৰ আত্মঘাটী গ'লেৰে অগ্ৰগতি লাভ কৰে। ইয়াৰ পাছত খেলৰ ৩১ মিনিটত ষ্ট্ৰাইকাৰ ফোলাৰিন বেলোগুনৰ গ'লেৰে আমেৰিকাই অগ্ৰগতি ২-০ লৈ বৃদ্ধি কৰিবলৈ সমৰ্থ হয়। খেলখনৰ মধ্যাহ্ন বিৰতিৰ ঠিক পূৰ্বে বেলোগুনে দলৰ হৈ দ্বিতীয়টো গ'ল দিয়ে।

০০০০০০০

আন্ত:ৰাষ্ট্ৰীয় সাঁতোৰবিদ, অসম সৌৰভ এলভিছ আলী হাজৰিকাসহ ৪ জন সাঁতোৰবিদে আৰৱ সাগৰত ১৫ দিনত দিনে-নিশাই ১৩০০ কিলোমিটাৰ সাতোঁৰৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে। আজি গুৱাহাটী প্ৰেছ ক্লাবত আয়োজিত এখন সংবাদমেলত এই কথা ঘোষণা কৰি আন্ত:ৰাষ্ট্ৰীয় সাঁতোৰবিদ এলভিছ আলী হাজৰিকাই কয় যে ১৪ নৱেম্বৰত মহাৰাষ্ট্ৰৰ মুম্বাইৰপৰা আৰম্ভ হ'বলগীয়া যাত্ৰা গোৱা হৈ ২৮ নৱেম্বৰত কৰ্ণাটকত অন্ত পৰিব। এই দূৰত্ব অতিক্ৰম কৰিবলৈ প্ৰায় ১৫ দিন সময় লাগিব। এই কাৰ্যত সফল হ'লে সাগৰত আটাইতকৈ দীৰ্ঘ দূৰত্ব সাঁতোৰাৰ নতুন বিশ্ব অভিলেখ সৃষ্টি হ'ব বুলি হাজৰিকাই ব্যক্ত কৰে।

০০০০০০০

হিমাচল প্ৰদেশৰ ধৰমশালাত ভাৰত আৰু আফগানিস্তানৰ মাজৰ তিনিখনীয়া এদিনীয়া আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলত আলহী দলটোৱে বাতৰি যুগুটোৱাৰ পৰলৈকে ১১ অভাৰত ৩টা উইকেট হেৰুৱাহ ৯০ ৰান সংগ্ৰহ কৰিছে। ইয়াৰ পূৰ্বে ভাৰতে টছত জিকি বৰ্ষাবিঘ্নিত খেলখনত প্ৰথমে ফিল্ডিং কৰাৰ সিদ্ধান্ত লয়। বৰযুণৰ

বাবে খেলখন ২৫ অভাৰলৈ হ্ৰাস কৰা হৈছে। শৃংখলাৰ দ্বিতীয়খন খেল অহা ১৭ জুনত লক্ষ্ণৌত আৰু তৃতীয় তথা অন্তিমখন খেল অহা ২০ জুনত চেন্নাইত অনুষ্ঠিত হ'ব।

০০০০০০০

**সমাপ্ত**